# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## সোমবাৰ, ১০ মার্চ, ২০২৫

গৃহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয়সমূহৰ বাহিৰে) কৰ্মচাৰী, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথসমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰলোচাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয়সমূহৰ বাহিৰে) লোক নিৰ্মাণ পথসমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয়সমূহৰ বাহিৰে) চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীপ্ৰশান্ত ফুকনক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয়সমূহৰ বাহিৰে), প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ণ আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, ক্ৰীড়া আৰু যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ণ, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথসমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয়সমূহ) শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয়সমূহ) পশুপালন আৰু পশু চিকিৎসা, মীন, লোক নিৰ্মাণ পথসমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয়সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ণ, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু সামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয়সমূহ)।

প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০

---

*বিষয় ঃ* থানার বিল্ডিং নির্মাণ

শ্রীসুজাম উদ্দিন লস্কর ঃ

৩৪৮। মাননীয় গৃহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) হাইলাকান্দি জেলার Ramnathpur P. S, Bilaipur P.S. এবং Algapur P.S. বর্তমানে ভগ্ন প্রায় গৃহে পরিচালিত হওয়ার বিষয়ে এবং বসবাসের উপযুক্ত কোনও Staff Quarter না থাকার বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থাকে, তবে নতুন Modern Office Building এবং Staff Quarter নির্মাণের কোনও পরিকল্পনা সরকারের আছে কি?

(গ) যদি থাকে, তবে কবে নাগাদ তাহা নির্মাণ করা হবে?

*বিষয় ঃ* **NH-154 হাইলাকান্দি ধলেশ্বরী থেকে ভৈরবী।**

শ্রীজাকির হুসেন লস্কর ঃ

৩৪৯। মাননীয় PWD and National Highway বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার গুরুত্বপূর্ণ রাস্তা NH-154 হাইলাকান্দি ধলেশ্বর থেকে ভৈরবী পর্যন্ত দীর্ঘদিন থেকে জরাজীর্ণ অবস্থায় আছে, সেই বিষয়ে সরকার অবগত আছে কি? সরকারের কি কোন পরিকল্পনা আছে?

(খ) যদি হ্যা, তাহালে সেই গুরুত্বপূর্ণ রাস্তাটি সংস্কারের কাজ করার জন্য সরকার কি কোন পদক্ষেপ হাতে নিয়েছে? বিস্তারিত তথ্য সদনে অবগত করার জন্য অনুরোধ করছি।

(গ) যদি ব্যবস্থা হাতে নেওয়া হয়েছে তাহালে কতদিনের ভিতরে তাহা কার্যকরী হবে?

*Sub.* : **Establishment of Police Outpost at Malivita under Amguri Police Station.**

SHRI NIRMAL KUMAR BRAHMA :

350. Will the Minister of Home Department be pleased to state:

What is the present status for Establishment of New Police Outpost at Malivita under Amguri Police Station, Chirang District ?

*বিষয় ঃ* **PMGSY-8 আঁচনি সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৩৫১। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত PMGSY-8 ৰ অধীনত কিমানটা ৰাস্তা Geo Tag কৰা হৈছে, সংমণ্ডল (Division) ভিত্তিত তালিকা দাখিল কৰিব।

(খ) এই Geo Tag কৰা ৰাস্তাৰ কিমান টা ৰাস্তা নিৰ্মাণৰ বাবে অনুমোদন দিয়া হৈছে? সংমণ্ডল ভিত্তিত তালিকা দাখিল কৰিব।

(গ) এই অনুমোদন দিয়া ৰাস্তা বিলাকৰ নিবিদা জাৰী (Tender Call) কৰা হৈছে নেকি? যদি নিবিদা জাৰী কৰা হোৱা নাই, কেতিয়া নিবিদা জাৰী কৰিব আৰু যদি নিবিদা জাৰী কৰা হৈছে তেন্তে কেতিয়া এই ৰাস্তা বিলাকৰ কাম আৰম্ভ হ'ব? বিতংকৈ জনাব।

*বিষয় ঃ* **গোপাল মিত্ৰ আৰু মৈত্ৰীসকলক মাহিলী দৰমহা দিয়াৰ ব্যৱস্থা কৰা।**

শ্ৰীদিগন্ত বৰ্মনঃ

৩৫২। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পশুপালন আৰু পশু চিকিৎসা বিভাগত বৰ্তমান কিমান জন গোপাল মিত্ৰ আৰু মৈত্ৰী কৰ্মৰত হৈ আছে? (তথ্য সদনত দাখিল কৰিব)

(খ) কৰ্মৰত গোপাল মিত্ৰ আৰু মৈত্ৰীসকলে বিভাগৰ কি কামত নিয়োজিত হয়?

(গ) তেওঁলোকক পাৰিতোষিক দিয়া হৈছেনে?

(ঘ) যদি কোনো পাৰিতোষিক দিয়া নাই, তেনেহ'লে চুপাৰভাইজাৰ আৰু পশুসখীৰ লেখিয়াকৈ গোপাল মিত্ৰ আৰু মৈত্ৰী সকলকো দৰমহা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **ৱাক্‌ফ বৰ্ডৰ সম্পত্তি বেদখল মুক্ত কৰা সম্পৰ্কে।**

শ্ৰীহাফিজ বচিৰ আহমেদ ঃ

৩৫৩। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বাক্‌ফ বৰ্ডৰ অধীনত অসমত ক'ত কিমান সম্পত্তি আছে?

(খ) বিগত ৫টা বছৰত ৱাক্‌ফ বৰ্ডৰ অধীনত কোন কোন সম্পত্তিৰ পৰা কিমান টকা আয় পোৱা গৈছে? (বছৰ ভিত্তিত পৃথকভাৱে হিচাপ দাখিল কৰিব)

(গ) ৱাক্‌ফ বৰ্ডৰ অধীনস্থ সম্পত্তিৰ ভিতৰত ক'ত কিমান সম্পত্তি বেদখলৰ কৱলত আছে? উক্ত সম্পত্তি বেদখলমুক্ত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? (বিস্তাৰিত তথ্য সদনৰ মেজত দাখিল কৰিব)

(ঘ) ৱাক্‌ফ বৰ্ড গঠন কৰা হৈছে নে? যদি হৈছে, তেন্তে সদস্য সকলৰ নামৰ তালিকা সদনত দাখিল কৰিব।

*Sub.* : **Infrastructure Development of Veterinary Complex under Mariani.**

Shri RUPJYOTI KURMI :

354. Will the Minister of Animal Husbandry and Veterinary Department be pleased to state:

(a) Is the Government aware that there are no boundary walls in the different veterinary complex under Mariani LAC ?

(b) If yes, will the Government allot fund for the Infrastructure Development of Veterinary Complex under Mariani ?

(c) If yes, When ?

*বিষয় ঃ* **'D' ভোটাৰৰ সংখ্যা**

শ্ৰীনিজানুৰ ৰহমান ঃ

৩৫৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমানে কিমান সংখ্যক ভোটাৰৰ বিপৰীতে 'D' ভোটাৰ আছে? এই 'D' ভোটাৰসমূহৰ কিমানজনৰ বিৰুদ্ধে বিদেশী ন্যায়াধীকৰণত গোচৰ তৰা হৈছে? ইয়াৰে কিমানটা গোচৰ এতিয়ালৈকে নিষ্পত্তি হৈছে আৰু কিমান গোচৰ নিষ্পত্তি হ'বলৈ বাকী আছে? (জিলা ভিত্তিত বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(খ) ঘোষিত বিদেশীৰ সংখ্যা কিমান আৰু বৰ্তমানে কিমানজনক 'D' ভোটাৰৰ জাননী জাৰি কৰা হৈছে? জাতি, জনগোষ্ঠী ভেদে পৃথকে পৃথকে 'D' ভোটাৰৰ বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।

*Sub.* : **District Youth Welfare Centre and ITI.**

Shri ABDUR RASHID MANDAL :

356. Will the Minister of Skill Empowerment & Entrepreneurship Department be pleased to state:

(a) With reference to replies to unstarred question no-497(d) dated 27/02/2024 regarding establishment of

District Youth Welfare Centre, please furnish action taken Reports in details with relevant Govt. circulars.

(b) With reference to replies to unstarred question no-338(d) dated 21/03/2023, ITI's are sanctioned or not? If yes, when the functioning will be started? If not, why?

(c) Please furnish district wise total number of ITI with total enrolment capacity as on date.

(d) Whether the Govt. has specific policies for employment of students passing certificate courses in different subjects from the ITIs in Assam, in the state or outside of the state or abroad? If yes, please furnish in details. If not, will Govt. consider formulate policies in this regards?

*বিষয় ঃ* **শ্ৰমিকৰ আঁচনি**

শ্ৰীনজৰুল হক ঃ

৩৫৭। মাননীয় শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী বিধান সভা সমষ্টিত শ্ৰম কল্যাণ বিভাগৰ দ্বাৰা বিগত ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত কি কি আঁচনিৰ যোগেদি কোন কোন ঠাইত ৰূপায়ণ কৰিছে? (আঁচনি সমূহৰ বিতং তথ্য সদনত দিব)

(খ) উক্ত বিভাগে বৰ্তমানে কোনো নতুন কিবা আঁচনি হাতত লৈছেনে?

*বিষয় ঃ* **শ্ৰমিক কল্যাণ বিভাগৰ আঁচনি সম্পৰ্কে**

শ্ৰীমজিবুৰ ৰহমান ঃ

৩৫৮। মাননীয় শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দলগাঁও বিধান সভা সমষ্টিত শ্ৰম কল্যাণ বিভাগৰ দ্বাৰা বিগত ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত কি কি আঁচনি ৰূপায়ণ কৰিছে? আঁচনিসমূহৰ তালিকা সদনত দাখিল কৰিব।

(খ) এই বিভাগৰ দ্বাৰা বৰ্তমানে উক্ত সমষ্টিত কি কি আঁচনিৰ কাম চলি আছে? সমষ্টি উন্নয়নৰ বাবে বিভাগে নতুনকৈ কোনো আঁচনিৰ কাম হাতত লৈছে নেকি? (বিতংভাৱে জনাব)

*Sub.* : **Regarding 132 KV substation at Arcutipur in Udharbond.**

Shri MIHIR KANTI SHOME :

359. Will the Minister of Power Department be pleased to state:

(a) What is the Present status of 132 KV Substation at Arcutipur in Udharbond?

(b) From when the Work will be Started?

*বিষয় ঃ* **অসমৰ জনবিন্যাস আৰু সংশ্লিষ্ট পৰিসংখ্যা।**

মোঃ নুৰুল হুদা ঃ

৩৬০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ কিমান জনগোষ্ঠীৰ মানুহে বসবাস কৰে আৰু প্ৰতিটো জনগোষ্ঠীৰ জনসংখ্যা কিমান? বিতং তথ্যসহ সদনত জনাব।

(খ) অসমত বৰ্তমান কিমান ভাষা আছে আৰু প্ৰতিটো ভাষাৰ নাম ও জনসংখ্যা কিমান? বিস্তাৰিতভাৱে জনাব।

(গ) অসমত কোন কোন ধৰ্মীয় জনগোষ্ঠীৰ লোক আছে, ধৰ্মীয়ভাৱে কোন ধৰ্মৰ কিমান জনসংখ্যা? বিতংভাৱে সদনত দাখিল কৰিব।

(ঘ) খিলঞ্জীয়া কোনসকল? খিলঞ্জীয়াৰ সংজ্ঞা কি? সদনত জনাব।

*বিষয় ঃ* **বরাক-নদীর উপর একটি নতুন সেতু ও একটি বাইপাস রাস্তা নির্মাণ সম্পর্কে।**

শ্রীখলিল উদ্দিন মজুমদার ঃ

৩৬১। মাননীয় PWD বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) 'গনিরগ্রাম-রাজনগর বরাক সেতু দাবি কমিটির' দাবি সম্পর্কে হাইলাকান্দি, শ্রীভূমি, ত্রিপুরা এবং মিজোরামের সঙ্গে দ্রুত পরিবহনের জন্য কাছাড় জেলার রাজনগর IWT ফেরিঘাটে বরাক নদীর উপর একটি নতুন সেতু নির্মাণ করার দীর্ঘদিনের দাবি। বর্তমান সরকার এই দাবি পূরণের জন্য কি কোনো পরিকল্পনা গ্রহণ করেছে? যদি পরিকল্পনা নিয়ে থাকে, তবে কবে নাগাদ তাহা বাস্তবে পরিণত হবে? আর যদি সরকারের কোন পরিকল্পনা না থাকে তবে সরকারের কাছে বিষয়টি গুরুত্ব সহকারে দেখার অনুরোধ জানাই।

(খ) এই কমিটির দাবি সম্পর্কে ডলু থেকে শ্রীকুনা পর্যন্ত একটি বাইপাস রাস্তা নির্মাণ করে দ্রুত পরিবহন এবং যাতায়তের সুবিধা করার জন্য সরকার কি কোন ব্যবস্থা গ্রহণ করেছে? বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইল।

*বিষয় ঃ* **কৌশল বিকাশ কেন্দ্র নির্মাণৰ সন্দৰ্ভত**

শ্রীসুৰেন ফুকন ঃ

৩৬২। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ বুঢ়ীদিহিং মৌজাৰ যুৱক-যুৱতী সকলক কৰ্মদক্ষ আৰু কৌশল সম্পন্ন মানৱ সম্পদ হিচাপে গঢ় দিবলৈ এই অঞ্চলটোত এখন কৌশল বিকাশ কেন্দ্ৰৰ অতি প্ৰয়োজন। গতিকে বিভাগে এই ক্ষেত্ৰত কিবা পৰিকল্পনা হাতত লৈছে নেকি?

(খ) যদি লৈছে, কেতিয়ালৈ পৰিকল্পনা গ্ৰহণ কৰিব? (বিতংভাৱে জনাব)

(গ) ডিগবৈ সমষ্টিত চৰকাৰী ভাৱে কিমানটা কৌশল বিকাশ যোজনা কেন্দ্ৰ বৰ্তমান সক্ৰিয় হৈ আছে আৰু কিমান ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰি আছে? (বিতংভাৱে জনাব)।

*বিষয় ঃ* **চিকিৎসা মহাবিদ্যালয় সম্পৰ্কে**

শ্রীতেৰছ গোৱালা ঃ

৩৬৩। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমানখন চিকিৎসা মহাবিদ্যালয় আছে? নাম, ঠিকনাসহ সবিশেষ তথ্য দিব।

(খ) চিকিৎসা মহাবিদ্যালয়সমূহত থকা অধ্যয়ণৰ আসনৰ সংখ্যা কিমান? মহাবিদ্যালয় সমূহৰ বিভাগ ভিত্তিত পাঠ্যক্ৰমৰ বিপৰীতে আসনৰ সংখ্যা দিব।

(গ) মহাবিদ্যালয় সমূহত থকা পাঠ্যক্ৰম সমূহৰ নাম-তালিকা, আসনৰ সংখ্যা মহাবিদ্যালয় ভিত্তিত বিস্তাৰিত ভাৱে তথ্যসহ সবিশেষ জনাব।

(ঘ) ২০১৬ চনৰ আগত অসমত কিমানখন চিকিৎসা মহাবিদ্যালয় আছিল? মহাবিদ্যালয় সমূহৰ নাম-ঠিকনাসহ অনুমোদিত পাঠ্যক্ৰম আৰু আসনৰ সংখ্যাসহ সবিশেষ জনাব।

(ঙ) চিকিৎসা মহাবিদ্যালয় সমূহত বিভিন্ন জাতি-জনগোষ্ঠী-সম্প্ৰদায়ৰ লগতে অনুসূচীত জাতি আৰু জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষিত আছে নেকি? যদি আছে, সবিশেষ তথ্য বিস্তাৰিত ভাৱে জনাব।

(চ) চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কিমানখন আসন সংৰক্ষণ কৰা হৈছে? প্ৰথম কেতিয়া আৰু কিমানখন আখন আৰু কি কি বিভাগত চাহ জনগোষ্ঠীৰ বাবে সংৰক্ষণ কৰা হৈছিল? অধিসূচনাৰ প্ৰতিলিপিসহ সবিশেষ জনাব লগতে চাহ জনগোষ্ঠীৰ বাবে কোন কোন চিকিৎসা মহাবিদ্যালয়ৰ কিমানখন আসন সংৰক্ষণ কৰা হৈছে? সবিশেষ জনাব।

*Sub.* : **Villages inclusion in BTC under BTR Accord.**

Shri CHARAN BORO :

364. Will the Minister of Home Department be pleased to state:

(a) How many villages from Sonitpur and Biswanath districts have been included in the BTC under the BTR Accord? Please provide the list of these villages along with the districts they are currently administered by.

(b) Since these villages fall under the purview of the Sixth Schedule, will they have Panchayat elections or be governed through VCDC (Village Council Development Committee) arrangements ?

*বিষয় ঃ* **উৰণীয়া সেতু নিৰ্মাণ সম্পৰ্কত**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

৩৬৫। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ গাঁৱৰ ড° ভূপেন হাজৰিকা পথটো শোচনীয় অৱস্থাত থকা কথাটোত চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেনেহ'লে উক্ত পথটোৰ উন্নয়নৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) ফটাশিল আৰু ৰাণী চ'কৰ ফ্লাই-অভাৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? যান-যঁটৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি দুয়োটা ঠাইত ফ্লাই-অভাৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

(ঘ) ধাৰাপুৰ চাৰি-আলিৰ ফ্লাই-অভাৰ (উৰণীয়া সেতু) ৰ সিদ্ধান্তটো বাতিল কৰা হৈছে নেকি? যদি হৈছে, তেনেহ'লে ধাৰাপুৰ চাৰি আলিৰ বাবে কি বিকল্প সিদ্ধান্ত বা পৰিকল্পনা লৈছে, জনাব নে?

*বিষয় ঃ* **সৰুসজাইত নিৰ্মাণ কৰা ক্ৰীড়া বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্যসন্দৰ্ভত।**

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ

৩৬৬। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰথম গৰাকী অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱাৰ নামত সৰুসজাই ক্ৰীড়া প্ৰকল্পত স্থাপন কৰা অসম ৰাজ্যিক পৰ্য্যায়ৰ ক্ৰীড়া বিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য্যৰ খতিয়ান দিব।

(খ) ক্ৰীড়া বিদ্যালয়খনৰ নিৰ্মাণ আৰ্হি তৈয়াৰ কৰা, আধাৰশিলা স্থাপন আৰু ভৱন নিৰ্মাণৰ কাম-কাজৰ বাবদ এই পৰ্য্যন্ত কিমান চৰকাৰী পুঁজি আবণ্টন দিয়া হৈছে, সেই বিষয়ৰ সবিশেষ তথ্য সদনত যোগান ধৰিব।

(গ) ক্ৰীড়া বিদ্যালয়খনৰ নিৰ্মাণৰ ঠিকা কাক দিয়া হৈছে, নিৰ্মাণ কাৰ্য্যৰ খতিয়ান আৰু পুঁজি ব্যৱহাৰৰ তথ্য দিব।

(ঘ) ক্ৰীড়া বিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ হ'ব? চৰকাৰে বিদ্যালয়খন আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পৰিকল্পনা হাতত লৈছে নে, যদি লৈছে সবিশেষ তথ্য সদনত জনাব।

*বিষয় ঃ* **গৃহৰক্ষী সম্পৰ্কে**

শ্ৰীবিনোদ হাজৰিকা ঃ

৩৬৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসম চৰকাৰৰ অধীনত মকৰল হৈ থকা মুঠ গৃহৰক্ষী বাহিনীৰ জোৱানৰ সংখ্যা কিমান?

(খ) ইয়াৰে ডিব্ৰুগড় জিলাত মকৰল হৈ থকা গৃহৰক্ষী বাহিনীৰ জোৱানৰ সংখ্যা কিমান?

(গ) এই গৃহৰক্ষী বাহিনীৰ জোৱানসকলক স্থায়ী নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছেনে? যদি কৰিছে, কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? বিতংভাৱে জনাব।

*বিষয় ঃ* **Oil-CSR Fund ৰ দ্বাৰা নিৰ্মাণ হৈ থকা গৃহ সন্দৰ্ভত।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

৩৬৮। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ দ্বাৰা কাৰ্য্যকৰী কৰা যিকোনো আঁচনি নিৰ্দ্দিষ্ট সময়ত ৰূপায়ণ নকৰিলে নিৰ্মাণকাৰী সংস্থাৰ ওপৰত কেনে ব্যৱস্থা গ্ৰহণ কৰা হয় জনাব।

(খ) খোৱাং সমষ্টিৰ শেনচোৱা পুখুৰী আৰু টিংখং সমষ্টিৰ তিনঠেঙীয়া নামৰ ঠাইত Oil-CSR পুঁজিৰে নিৰ্মাণ কৰি থকা চিকিৎসালয় কেইখনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হ'লনে?

(গ) যদি হোৱা নাই, তেন্তে নিৰ্মাণকাৰী সংস্থাক কিমান সময় দিয়া হৈছে? তেওঁলোকক দিয়া সময় উকলি গ'ল নেকি? বিশদভাৱে জনাব।

(ঘ) যদি সময় ওকলি গৈছে, তেন্তে নিৰ্মাণকাৰী সংস্থাক কিবা অন্তিম নিৰ্দেশনা বিভাগে দিছে নেকি? যদি দিছে, কাৰ্য্যকৰী নোহোৱাৰ কাৰণ কি জনাব।

*বিষয় ঃ* **ক্ৰীড়া প্ৰকল্প**

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

৩৬৯। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বঙাইগাঁও ভ্ৰমণৰ সময়ত বঙাইগাঁও জিলা ক্ৰীড়া প্ৰকল্প নিৰ্মাণ কৰা হ'ব বুলি কৰা ঘোষণাৰ বিষয়টো বৰ্তমান কি পৰ্য্যায়ত আছে সদনত জনাবনে?

(খ) এই প্ৰকল্প নিৰ্মাণৰ বাবে আগন্তুক ২০২৫-২৬ বৰ্ষৰ বাজেটত প্ৰয়োজনীয় পুঁজি ধাৰ্য্য কৰা হ'বনে?

*বিষয় ঃ* **আঁচনি সন্দৰ্ভত**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৩৭০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত শক্তি বিভাগৰ অধীনত কি কি আঁচনিৰ কাম চলি আছে? এই আঁচনিসমূহ ৰূপায়ণ কৰাৰ কাৰণে কোন কোন আঁচনি কোন কোন কোম্পানী, ফাৰ্ম বা ঠিকাদাৰক দায়িত্ব দিয়া হৈছে। এই আঁচনিসমূহৰ দ্বাৰাই অসমত কিমান শতাংশ পৰিয়ালক বিদ্যুৎ সংযোগ কৰিব পাৰিছে আৰু কিমান বাকী আছে? তথ্য সহকাৰে জনাব।

(খ) গোৱালপাৰা জিলাত ইয়াৰে কিমান আঁচনিৰ কাম চলি আছে আৰু কিমান আঁচনিৰ কাম বাকী আছে? বাকী থকা আঁচনিসমূহ কেতিয়া সম্পূৰ্ণ হ'ব? তথ্য সহকাৰে জনাব।

(গ) গোৱালপাৰা জিলাত ক'ত ক'ত (Cable) তাঁৰৰ কাম চলি আছে? ইয়াৰে কিমান সম্পূৰ্ণ হৈছে আৰু কিমান বাকী আছে? বাকী থকা কামখিনি কেতিয়া সম্পূৰ্ণ কৰিব? এই কেবল (Cable) তাঁৰৰ কাম কোন কোন ঠিকাদাৰৰ নামত আবণ্টন দিয়া হৈছে আৰু কোন কোন ঠিকাদাৰক কিমান পুঁজি মোকলাই দিয়া হৈছে? ঠিকাদাৰৰ নাম, তালিকাসহ তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **নাৰ্চিং মহাবিদ্যালয় আৰু ফাৰ্মাচী মহাবিদ্যালয় স্থাপন।**

ড° অমিয় কুমাৰ ভূঞা ঃ

৩৭১। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া সমষ্টিৰ নিৰ্মাণৰত নাৰায়ণপুৰ ১০০ খন বিচনাযুক্ত অসামৰিক চিকিৎসালয়ৰ লগত এখন নাৰ্চিং মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰিব পাৰি নেকি? যদি পাৰি, তেতিয়াহ'লে চলিত বৰ্ষত আৰম্ভ কৰিব নেকি? (সদনত জনাব)

(খ) উত্তৰ অসমৰ মধ্যস্থল বিহপুৰীয়া সমষ্টিত এখন ফাৰ্মাচী (ভেষজ) মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰিব নেকি? যদি কৰিব পাৰি, তেতিয়াহ'লে চলিত বৰ্ষতে স্থাপনৰ ব্যৱস্থাৰ পৰিকল্পনা কৰিবনে? (সদনত জনাব)

(গ) বিহপুৰীয়া সমষ্টিত এখন পেৰামেডিকেল কলেজ স্থাপনৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবনে? (সদনত জনাব)

*বিষয়ঃ* **ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ সম্পৰ্কে**

শ্ৰীতৰংগ গগৈ ঃ

৩৭২। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নাহৰকটীয়া সমষ্টিত এখন ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ (ITI) নিৰ্মাণ হৈ আছে বুলি চৰকাৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, তেনেহ'লে কেতিয়া মুকলি কৰিব আৰু মুকলি কৰা সম্পৰ্কে কি পৰিকল্পনা আছে জনাব।

*বিষয়ঃ* **Low Voltage, Load Shedding সম্পৰ্কে আৰু পুৰণি হোৱা বিদ্যুতৰ লাইনবোৰ মেৰামতি সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৩৭৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে Low Voltage, Load Shedding ৰ ব্যৱস্থা দূৰ কৰি নিয়মীয়াকৈ বিদ্যুতৰ যোগান ধৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে, অতি সোনকালে ৰূপায়ণ কৰিব নে?

(খ) জলেশ্বৰ সমষ্টিৰ বহুতো গ্ৰামাঞ্চলৰ বিদ্যুতৰ Poll, Cable ইত্যাদিবোৰ পুৰণি হৈ নষ্ট হৈছে। সেইবোৰ মেৰামতি কৰিবলৈ কিবা ব্যৱস্থা হাতত লৈছে নে? যদি লৈছে, মেৰামতি কৰিবলৈ কিমান সময় লাগিব, জনাব।

(গ) জলেশ্বৰ সমষ্টিৰ চৰ অঞ্চলবোৰত বিদ্যুতৰ ব্যৱস্থা নথকাত স্থানীয় লোকে বহুতো সমস্যাৰ সন্মুখীন হৈছে। সেইবোৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰে সৌৰশক্তিৰ ব্যৱস্থা কৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নে, জনাব।

(ঘ) জলেশ্বৰ সমষ্টিত বৰ্তমানলৈকে কিমানটা Transformer আছে? তাৰে কেইটা সক্ৰিয় হৈ আছে আৰু বিকল হৈ থকা কেইটা কেতিয়া মেৰামতি কৰি দিয়া হ'ব, জনাব।

*বিষয়ঃ* **অভিযন্তাৰ নিযুক্তি**

শ্ৰীমতী শিৱামনি বৰা ঃ

৩৭৪। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লোক নিৰ্মাণ বিভাগ (PWD)ত ২০২১ চনৰ পৰা অভিযন্তা, তৃতীয় আৰু চতুৰ্থ

বৰ্গৰ পদত কিমান নিযুক্তি দিয়া হ'ল? ইয়াৰ ভিতৰত অনুসূচিত জনজাতিৰ মুঠ কিমান নিযুক্তি দিয়া হ'ল, জনাব।

(খ) এই নিযুক্তি সংৰক্ষণ নীতি অনুসৰি দিয়া হৈছেনে? যদি হৈছে, তেন্তে সংৰক্ষণ নীতি অনুসৰি ST(P)=10%, ST(H)=5%, OBC=27% আৰু SC=7% মানি চলা হৈছেনে? সদনত সকলো তথ্য দাখিল কৰিব।

*Sub.*: **Aspirational District and Block Fund for Barpeta District and Mandia Block.**

Shri SHERMAN ALI AHMED :

375. Will the Minister of Transformation & Development Department be pleased to state :

(a) What schemes are implemented with Aspirational District Fund in Barpeta since inception? Please furnish details of schemes with amount.

(b) As per reply to starred Q.N.16 dated 22-08-2024, some schemes are implemented through CC and some through line department. What are the schemes implemented through CC and line department? Please furnish details along with composition of CC and the line department against each scheme.

(c) It was further stated that most members of CC are co-opted from concerned department. What is the designation and department of each co-opted member?

(d) What amount was provided by NEC? Please furnish details of schemes alongwith amount and location.

(e) Whether the above schemes were implemented through CC or line department? Please furnish composition of CC along with designation and department? Please furnish composition of CC along with designation and department for each co-opted member and the details of schemes implemented through line department.

(f) Would the Government be pleased to cause inquiry about alleged large scale corruption?

*বিষয়ঃ* **মাজুলীত নিৰ্মীয়মান প্ৰশিক্ষণ কেন্দ্ৰ সম্পৰ্কে।**

শ্ৰীযুত ভূবন গাম ঃ

৩৭৬। মাননীয় লোক নিৰ্মাণ (গৃহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাজুলীত অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী প্ৰশিক্ষণ কেন্দ্ৰ নিৰ্মাণ কৰিবৰ বাবে কিমান পুঁজি আবণ্টণ দিয়া হৈছিল?

(খ) কেন্দ্ৰটোৰ নিৰ্মাণ কৰিবৰ বাবে কিমান দিনৰ সময়সীমা বান্ধি দিয়া হৈছিল?

(গ) বৰ্তমান কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য্য কিয় লেহেমীয়া গতিত চলি আছে?

(ঘ) এই সম্পৰ্কে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **বালিসত্ৰ আবাসিক স্কুল**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৩৭৭। মাননীয় লোক নিৰ্মাণ (গৃহ) আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ ধিং সমষ্টিৰ অন্তৰ্গত দুমদুমীয়া বালিসত্ৰত MSDPৰ অধীনত এটা আবাসিক বিদ্যালয় স্থাপন কৰা হৈছে নেকি?

কোনজন ঠিকাদাৰে কামটো কৰিছিল? (আবণ্টিত ধন, প্ৰাক্কলনৰ প্ৰতিলিপি, ব্যৱহাৰিক প্ৰমাণ পত্ৰ সহ খৰচৰ তথ্য দিব)

(খ) নগাঁও জিলাত যোৱা ৫ বছৰৰ ভিতৰত বিভাগে কি কি কাম কৰিছে? তাৰ ভিতৰত কোন কোন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু কোন কোন আঁচনিৰ কাম চলি আছে? ঠিকাদাৰৰ নাম, আবণ্টিত ধনৰ পৰিমাণ সহ অগ্ৰগতিৰ তথ্য দিব।

*বিষয়ঃ* **চাহ শ্ৰমিক পৰিয়ালৰ মাটিৰ পট্টা আৰু দৈনিক মজুৰি বৃদ্ধি।**

শ্ৰীঅখিল গগৈ ঃ

৩৭৮। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান চাহ জনজাতি আৰু আদিবাসী পৰিয়াল আছে? তেখেতসকলৰ মুঠ জনসংখ্যা কিমান? ইয়াৰে কিমানে বাগিচাৰ লাইনত বাস কৰে আৰু কিমানে গাঁও এলেকাত বাস কৰে?

(খ) চাহ জনজাতি আৰু আদিবাসী মুঠ পৰিয়ালৰ কিমান পৰিয়ালৰ হাতত মাটিৰ পট্টা আৰু নিজা ঘৰ আছে, জনাব।

(গ) চাহ শ্ৰমিক সকলৰ বৰ্তমানৰ দৈনিক মজুৰি কিমান? চৰকাৰে তেখেতসকলৰ দৈনিক মজুৰি ৩৫১ টকা কেতিয়া কৰিব?

(ঘ) কিমান চাহ শ্ৰমিকৰ পি এফ বাগান কৰ্তৃপক্ষই জমা দিবলৈ বাকী আছে? সেইসমূহ সম্পূৰ্ণৰূপে জমা দিয়াৰ বাবে বিভাগে কি ব্যৱস্থা লৈছে?

*বিষয়ঃ* **আন্তঃগাঁথনি আৰু আঁচনি**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৩৭৯। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ৰীড়াৰ উৎকৰ্ষ সাধনৰ বাবে ছয়গাঁও বিধান সভা সমষ্টিত কি কি আঁচনি চৰকাৰে হাতত লৈছে, জনাব।

(খ) বিভিন্ন ক্ৰীড়াৰ প্ৰশিক্ষণৰ বাবে চৰকাৰে যোৱা বিত্তীয় বৰ্ষত ক'ত ক'ত কি কি আঁচনি গ্ৰহণ কৰিছিল আৰু ইয়াৰ বিপৰীতে কিমান ধন ব্যয় কৰিছিল?

(গ) ক্ৰিকেট আৰু ফুটবল খেলৰ বাবে গুৱাহাটীৰ বাহিৰত ক'ত ক'ত ষ্টেডিয়াম নিৰ্মাণৰ কাম হাতত লৈছে, জনাব।

*বিষয়ঃ* **Skill Development Centre**

শ্ৰীজাকির হুসেন লস্কর ঃ

৩৮০। মাননীয় দক্ষতা নিয়োগ এবং উদ্যমিতা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বেকার যুবক যুবতী তথা বিশেষ করে বাগান এলাকার যুবক যুবতীদের কর্ম সংস্থান বৃদ্ধির জন্য হাইলাকান্দি জেলার বন্ধুকমারা চা বাগানে একটি Skill Development Centre খোলার জন্য সরকারের কি কোন পরিকল্পনা আছে?

(খ) যদি হ্যা, তাহালে বন্দুকমারা চা বাগানে যথেষ্ট পরিমাণে পর্যাপ্ত জমি আছে, তাই সেখানে Skill Development Centre নির্মাণ করার জন্য সরকার কি কোন ব্যবস্থা হাতে নেবে? তাহা বিস্তারিত জানাতে অনুরোধ করছি।

*বিষয়ঃ* **ষ্টেডিয়াম আৰু মিনি ষ্টেডিয়াম স্থাপন সম্পৰ্কে।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৩৮১। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে যোৱা দুটা বিত্তীয় বৰ্ষত বৰপেটা জিলাত কিমানখন ষ্টেডিয়াম আৰু মিনি ষ্টেডিয়াম স্থাপন কৰিলে? বিতংকৈ জনাব।

(খ) এই ষ্টেডিয়াম বিলাকৰ অধীনত কিমান টকা ধাৰ্য্য কৰা হৈছে? ষ্টেডিয়াম বিলাকৰ অগ্ৰগতিৰ খতিয়ান সদনত দাখিল কৰিব।

(গ) বৰপেটা বিধান সভা সমষ্টিত নতুনকৈ কোনো ষ্টেডিয়াম স্থাপনৰ পৰিকল্পনা এই বিভাগে গ্ৰহণ কৰিছে নেকি? বিতংকৈ জনাব।

*বিষয়ঃ* **East West Corridor সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৩৮২। মাননীয় Public Work Department বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বরাকের জনগণকে মেঘালয়ের রাস্তা দিয়ে চলিত হয় যাহার জন্য বিভিন্ন সময়ে বিভিন্ন ঝামেলায় সন্মুখীন হইতে হয়। তাই গণদাবী যে east west corridor এর কাজ বর্তমানে ক'ত শতাংশ হইয়াছে? এবং কবে নাগাদ শেষ হইবে? এবং কবে নাগাদ ব্যবহারিক যাতায়ত শুরু হবে? তাহার তথ্য সদনে প্রদানের অনুরোধ জানাই।

(খ) Barak Valley হইতে শিলচার পর্যন্ত বিকল্প রাস্তার সরকার যে উদ্যোগ নিয়েছেন তাহার বর্তমান স্থিতি কি? তার সম্পূর্ণ তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয়ঃ* **বিদ্যুৎ মাচুল নিৰ্ধাৰণ সম্পৰ্কে**

শ্ৰীহাফিজ বচিৰ আহমেদ ঃ

৩৮৩। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত বিদ্যুৎ গ্ৰাহক সকলে ব্যৱহাৰ কৰা প্ৰতি ইউনিটৰ বিদ্যুৎ মাচুল কিমান? গ্ৰাহকৰ পৰা শ্লেব অনুযায়ী ভাগ কৰি বিদ্যুৎ মাচুল লৈ আছে নেকি? যদি লৈছে, কি নিৰিখত লৈ থকা হৈছে? (বিস্তাৰিত তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) অসমত বৰ্তমানলৈকে কিমানখন জিলাত কিমান গ্ৰাহকক স্মাৰ্টমিটাৰ যোগান ধৰা হ'ল আৰু কিমান বাকী আছে? (জিলা ভিত্তিত গ্ৰাহকৰ সংখ্যা সদনত দাখিল কৰিব)

*বিষয়ঃ* **চিকিৎসা শিক্ষা পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা**

শ্ৰীছামছুল হুদা ঃ

৩৮৪। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত ধুবুৰী জিলাৰ পৰা কিমানজন MBBS, MD, DMLT, BMLT, B.Pharm, D.Pharm, ICU-Technician, Lab Technician ইত্যাদি চিকিৎসা শিক্ষাৰ কিমান ছাত্ৰ-ছাত্ৰীয়ে পাছ কৰিলে? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) যোৱা দুটা বিত্তীয় বৰ্ষত ২৭ নং পূব বিলাসীপাৰা সমষ্টিৰ ছাত্ৰ-ছাত্ৰীৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে সাহায্য প্ৰদান কৰিছিল নেকি? চিকিৎসা শিক্ষাৰ কাৰণে Scholership ৰ ব্যৱস্থা আছেনে? কিমানে এই সুবিধা লাভ কৰিলে?

*বিষয়ঃ* **কাৰাগাৰ**

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৩৮৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানখন কাৰাগাৰ আছে? এই কাৰাগাৰ সমূহত কিমানজন কাৰাবন্দীক ৰাখিব পৰা ব্যৱস্থা আছে?

(খ) কাৰাগাৰত থকা কাৰাবন্দী সকলৰ স্বাস্থ্য পৰীক্ষা তথা চিকিৎসাৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হয়? বৰ্তমান কাৰাবন্দী সকলৰ ভিতৰত কিমানজন কাৰাবন্দীৰ HIV আক্ৰান্ত ৰোগী আছে?

(গ) জেল মেনুৱেল অনুসৰি কাৰাবন্দী সকলক কি কি খাদ্য প্ৰদান কৰিব লাগে? সেই নিৰ্ধাৰিত খাদ্য তালিকা অনুসৰি অসমৰ কাৰাগাৰ সমূহত খাদ্য প্ৰদান কৰা হয়নে?

(ঘ) অসমৰ কাৰাগাৰত বিগত ১০ বছৰত কিমান কাৰাবন্দী প্ৰাকৃতিক কাৰণত মৃত্যু হৈছে? বৰ্ষ অনুসৰি তথ্য প্ৰদান কৰিব। অপ্ৰাকৃতিক কাৰণত কাৰাবন্দীৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰা হৈছিলনে? যদি হৈছিল, ফলাফল কি পোৱা গ'ল জনাব।

*Sub.*:**Works under the Transformation of Aspirational Districts and Assam Darshan.**

Shri ABDUR RASHID MANDAL :

386. Will the Minister of Transformation and Development Department be pleased to state :

(a) Whether any work under the Transformation of Aspirational District Programme and Aspiration of local needs of Infrastructures is executed in Goalpara district as pronounced in the Assam Budget Speech for 2022-23 at Clause (355) and (356) ? If yes, please furnish constituency wise in details. If not, why?

(b) How much amount of fund is utilized for implementation of schemes under Assam Darshan during the tenure of present Government? Please furnish district wise and year wise number of schemes implemented with total amount utilized.

(c) Whether financial assistances to any Masjid, its Imam and Churches, its priests was awarded under Assam Darshan Scheme ? If yes, Please furnish the list in details. If not, why?

(d) Will Government sanction requisite fund for development of the following religious places and destinations of tourists in Goalpara district under Assam Darshan Scheme?

(a) Paglartek Mandir (b) Dodan Thaan (c) Bhaibhoni Thaan (d) Joybhum Kamkhya Mandir (e) Rangshapara Cleanest Village.

*Sub.*: **Rob Works of Lumding & Lanka.**

Shri SIBU MISRA :

387. Will the Minister of PWD Department be pleased to state :

(a) Whether the PWD Department aware that the Construction works of Lanka ROB started on 02/07/2020 and Lumding ROB started on 27/12/2021, despite both the works of ROB still remain uncompleted causing severe hardship to the public and commuters at large, more over consequent upon the sub-way of Lanka ROB being close the movement of public and commuters become very much painful?

(b) If aware then when both the ROB works would be completed? Please furnish the present status of the ROB works of both LKA & LMG.

*Sub.*: **Employment opportunity in fishery.**

Shri SIRAJUDDIN AJMAL :

388. Will the Minister of Fishery Department be pleased to state :

(a) Has the Government taken effective steps to increase employment opportunities in fisheries in the State?

(b) If so, furnish the details of the funds and expenditure allocated by the Government for the development of fisheries in the State during the last three years and the current year, district-wise, including Hojai district.

(c) There are many unemployed youth and farmers who want to take up self-employment in fisheries but they are unable to avail the facilities provided for them; and

(d) Is the Government proposing to provide them with technical, financial and other assistance, if so, the details thereof?

*বিষয়ঃ* **মীন পালক সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৩৮৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান মীন পালক আছে? সমষ্টি ভিত্তিক তথ্য দিব।

(খ) অসমত কিমান বিল, পুখুৰী (চৰকাৰী আৰু ব্যক্তিগত) আছে? সমষ্টি ভিত্তিত তথ্য দিব।

(গ) মীন পালক সকলক চলিত বিত্তীয় বৰ্ষত চৰকাৰৰ ফালৰ পৰা কি কি আঁচনি প্ৰদান কৰা হৈছে? প্ৰদান কৰা মীন পালক সকলৰ নাম, ঠিকনা সমষ্টি ভিত্তিত উল্লেখ কৰিব।

(ঘ) অসমৰ বৰ্তমান দৈনিক মাছৰ প্ৰয়োজন কিমান? অসমে দৈনিক কিমান মাছ উৎপাদন কৰে আৰু কিমান মাছ ৰপ্তানি কৰে? তালিকা দিব।

(ঙ) মাছৰ উৎপাদন বৃদ্ধিৰ বাবে মীন পালক সকলক বিভাগে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, ক'ত ক'ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে? বিতং তথ্য দিব।

(চ) এই বিভাগত বৰ্তমান কিমান বিষয়া-কৰ্মচাৰী (স্থায়ী আৰু অস্থায়ী) আছে? জিলা ভিত্তিত তথ্য দিব। কিমান বিষয়া-কৰ্মচাৰীৰ পদ খালী হৈ আছে? পদ অনুসৰি তালিকা দিব।

*বিষয়ঃ* **দক্ষ যুৱক-যুৱতী সকলৰ সংস্থাপনৰ আৰু সাহায্যৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

৩৯০। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

এই বিভাগৰ দ্বাৰা দক্ষ কৰি তোলা যুৱক-যুৱতী সকলক সংস্থাপনৰ সুবিধাৰ বাবে বিপণি, উদ্যোগিক প্ৰতিষ্ঠান আদি খোলাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে কেনেদৰে সহায় কৰাৰ ব্যৱস্থা ল'ব জনাব।

*বিষয়ঃ* **Mega Solar Power Project**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

৩৯১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলঙত স্থাপন কৰিবলগীয়া **Mega Solar Power Project** ৰ বাবে কাৰ্বি আংলঙত কোন অঞ্চলত কিমান হেক্টৰ ভূমি অধিগ্ৰহণ কৰা হ'ল?

(খ) কাৰ্বি আংলঙত স্থাপিত হ'বলগীয়া **Mega Solar Power Project** ৰ কাম কেতিয়া আৰম্ভ হ'ব?

(গ) এই প্ৰজেক্ট সম্পূৰ্ণ হ'বলৈ আনুমানিক কিমান সময় লাগিব?

(ঘ) এই প্ৰজেক্ট সম্পূৰ্ণ হৈ কাৰ্য্যক্ষম হ'লে ইয়াৰ দ্বাৰা কিমান মেগা ৱাট বিদ্যুৎ উৎপাদন হ'ব?

(ঙ) এই প্ৰজেক্টৰ উৎপাদিত বিদ্যুতে আমাৰ ৰাজ্যৰ কিমান শতাংশ বিদ্যুতৰ চাহিদা পূৰণ কৰিব?

(চ) এই প্ৰজেক্ট স্থাপন হ'লে কাৰ্বি আংলঙৰ কিমান সংখ্যক স্থানীয় নিবনুৱা যুৱক-যুৱতীয়ে সংস্থাপন পাব?

*Sub.*: **Urgent need for direct road connectivity from Sikaridanga to Bhairabkunda.**

Shri CHARAN BORO :

392. Will the Minister of Public works Roads Department be pleased to state :

Whether the Government is aware that there is an urgent need for construction of a road from Sikaridanga to Bhairabkunda, as there is currently no direct connectivity between Mazbat and Bhairabkunda, a popular tourist destination and a tri-junction of Bhutan, Arunachal Pradesh and Assam? At present, people from Mazbat have to travel via Arunachal Pradesh to reach Bhairabkunda. Will the government take steps to construct this road in this year?

*বিষয়ঃ* **Up-gradation of PWD Rural Road Assam mala (Samarikuna to Phaisan Assam Mizoram Inter State Road)**

শ্ৰীসুজাম উদ্দিন লস্কৰ ঃ

৩৯৩। মাননীয় লোক নির্মাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার Katlicherra সমষ্টির Samarikuna to Phaisan Road প্রায় ৪০ কিলোমিটার দীর্ঘ রাস্তা, দুইটি State যথাক্রমে আসাম এবং মিজুরাম সংযোগ রাস্তাকে আসাম মালায় রূপান্তরিত করার সরকারের কোন পরিকল্পনা আছে কি?

(খ) যদি থাকে, তবে চলিত অর্থ বৎসরে উক্ত রাস্তাটি আসাম মালায় রূপান্তরিত করা হবে কি?

*বিষয়ঃ* **চাহ শ্ৰমিক সম্পৰ্কে**

শ্ৰীতেৰছ গোৱলা ঃ

৩৯৪। মাননীয় শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকাত থকা চাহ শ্ৰমিক সকলৰ ন্যূনতম দৈনিক মজুৰি কিমান? সবিশেষ জনাব।

(খ) এখন ৰাজ্যৰ এখন আইন বিধি / নীতি থকাৰ পিছতো ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত থকা চাহ শ্ৰমিকৰ ন্যুনতম দৈনিক মজুৰিৰ মাজত পাৰ্থক্য কিয়, প্ৰসঙ্গ সংগতি দৰ্শাই বিতং ভাৱে জনাব।

(গ) ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত চাহ শ্ৰমিকৰ (স্থায়ী আৰু অস্থায়ী) সংখ্যা কিমান, জনাব।

(ঘ) অসমত চাহ বাগিচাত নিয়োজিত মুঠ স্থায়ী আৰু অস্থায়ী চাহ শ্ৰমিকৰ সংখ্যা কিমান? ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা ভিত্তিত পুৰুষ মহিলাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ সংখ্যা পৃথকে পৃথকে সবিশেষ জনাব।

*বিষয়ঃ* **উপ-পশু চিকিৎসালয়**

শ্ৰীবিনোদ হাজৰিকা ঃ

৩৯৫। মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চাবুৱা লাহোৱাল সমষ্টিত কিমানখন উপ-পশু চিকিৎসালয় আছে আৰু তাৰে কিমান সংখ্যক কাৰ্য্যক্ষম হৈ আছে? জনাব।

(খ) যি বিলাক কাৰ্য্যক্ষম নহয় সেইবিলাক কাৰ্য্যক্ষম কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে

নেকি? এই পশু চিকিৎসালয় সমূহত কিমান কৰ্মচাৰী নিয়োজিত হৈ আছে? বিতংভাবে জনাব।

*বিষয়ঃ* **পশুচিকিৎসালয় পুনঃনিৰ্মাণ সম্পৰ্কে**

শ্ৰীসুৰেন ফুকন ঃ

৩৯৬। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ বুঢ়ীদিহিং মৌজাত থকা পশুচিকিৎসালয়খন বৰ্তমান জৰাজীৰ্ণ অৱস্থাত আছে? এই সন্দৰ্ভত বিভাগ অৱগতনে.? (বিতং ভাৱে জনাব)

(খ) যদি অৱগত, উক্ত পশুচিকিৎসালয় খন পুনঃনিৰ্মাণৰ পৰিকল্পনা লৈছে নেকি? (বিতং ভাৱে জনাব)

(গ) পশুচিকিৎসালয়খনত বৰ্তমান কিমানজন চিকিৎসক আৰু কৰ্মচাৰী আছে? চিকিৎসক আৰু কৰ্মচাৰী সকলৰ নিয়মীয়া উপস্থিতিৰ বাবে বিভাগে ব্যৱস্থা হাতত ল'ব নেকি? (বিতং ভাৱে জনাব)

*Sub.*: **Sports University Campus at Mariani.**

Shri RUPJYOTI KURMI :

397. Will the Minister of Sports & Youth Welfare Department be pleased to State :

(a) What is the status of the on going Sports University of our State?

(b) Will the Government allot differenct sports event campus in the different places of the State?

(c) If yes, will the Government allot a campus at Mariani ?

---

Assam Government press 44/25-LAQ-550-06-03-2025